# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 01-JAN-2026
**Time :** 1800 HRS

# *Assamese Evening Bulletin*

১।	নুমলীগড় আৰু গহপুৰৰ মাজত ব্ৰহ্মপুত্ৰৰ তলীৰে নিৰ্মাণ হ’বলগীয়া চাৰিলেনযুক্ত টুইন টিউব টানেলত দুটা লেনযুক্ত ৰে’লপথ সংযোজনত কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন।

২।	দেশৰ প্ৰথম ৰাজ্য হিচাপে অসমৰ অষ্টম দৰমহা আয়োগ গঠনৰ  সিদ্ধান্ত।

৩।	বছৰৰ প্ৰথমখন মন্ত্ৰীসভাৰ বৈঠকত ৰাজ্যত ১০০ খন বিদ্যালয় নিৰ্মাণৰ বাবে ৪৫৫ কোটি টকাত অনুমোদন।

**আৰু**

৪।	ডবকাৰ যমুনা-মৌদংগা সংৰক্ষিত বনাঞ্চলৰ প্ৰায় ৬ হাজাৰ বিঘা ভূমিত কাইলৈ প্ৰশাসনৰ উচ্ছেদ অভিযান।

০০০০০

নুমলীগড় আৰু গহপুৰৰ মাজত ব্ৰহ্মপুত্ৰৰ তলীৰে নিৰ্মাণ হ’বলগীয়া চাৰিলেনযুক্ত টুইন টিউব টানেলটোত দুটা লেনযুক্ত ৰে’লপথ সংযোজন কৰাত কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনাইছে। প্ৰতিবছৰৰ দৰে ইংৰাজী নৱবৰ্ষ উপলক্ষে ৰাজ্যখনৰ বিশিষ্ট সাংবাদিকসকলৰ সৈতে ‘নতুন দিনৰ আলাপ’ শীৰ্ষক সংবাদমেলত অংশ লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰি কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিয়া পৰামৰ্শ অনুযায়ী অৰ্থনৈতিক পৰিক্ৰমা বিষয়ক মন্ত্ৰীসভা সমিতিয়ে এই টানেলটোত ৰে’লপথ সংযোগ কৰাৰ সিদ্ধান্ত লৈছে। ১২ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ উত্তৰ-পূৰ্বাঞ্চলৰ এই প্ৰথমটো নদী সুৰংগ নিৰ্মাণ হৈ উঠিলে নুমলীগড়ৰৰ পৰা গহপুৰৰ মাজৰ ২৪০ কিলোমিটাৰ দৈৰ্ঘ্য কেৱল ৩৫ কিলোমিটাৰ হ’বগৈ বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

এখন আন্দোলন আৰু সন্ত্ৰাসজৰ্জৰ ৰাজ্যৰ পৰা যোৱা ৫টা বছৰত অসমৰ ছবি দেশৰ দ্ৰুত বিকশিত ৰাজ্যলৈ পৰিণত হোৱা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে ২০২০ৰ পৰা ২০২৫ চনলৈ অসমৰ ৪৫ শতাংশ বিকাশ হৈছে আৰু দেশৰ ভিতৰত অসমৰ অৰ্থনীতিৰ বিকাশৰ হাৰ সৰ্বাধিক বুলি ভাৰতীয় ৰিজাৰ্ভ বেংকে প্ৰকাশ কৰিছে। তেওঁ কয়, যে ৰাজ্যখনত জনমূৰি আয় ৫৪ শতাংশ বৃদ্ধি পোৱাৰ লগতে বিগত সময়ছোৱাত ৰাজহো ৫৩ শতাংশ হাৰত বৃদ্ধি পাইছে।

কেন্দ্ৰীয় চৰকাৰে অষ্টম দৰমহা আয়োগ গঠনৰ পাছতেই অসমে দেশৰ প্ৰথম ৰাজ্য হিচাপে অসম চৰকাৰৰ কৰ্মচাৰীসকলৰ বাবে অষ্টম দৰমহা আয়োগ গঠন কৰিব। অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত অতিৰিক্ত মুখ্য সচিব সুভাষ দাসৰ নেতৃত্বত গঠন হ’বলগীয়া এই দৰমহা আয়োগ সম্পৰ্কত জানুৱাৰীৰ প্ৰথম সপ্তাহতে অধিসূচনা জাৰি কৰা হ’ব বুলি মুখ্যমন্ত্ৰীয়ে সংবাদমেলত সদৰি কৰে।

সৌৰশক্তি উৎপাদনৰ ক্ষেত্ৰত অসমে উল্লেখনীয় অগ্ৰগতি লাভ কৰা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে পৰৱৰ্তী ডেৰ মাহৰ ভিতৰতে ৰাজ্যখনত অতিৰিক্ত ৩৫০ মেগাৱাট সৌৰশক্তি উৎপাদন কৰা হ’ব আৰু ইয়াক গ্ৰীডত সংযুক্ত কৰা হ’ব। শক্তি উৎপাদনৰ অভিনৱ কৌশল হিচাপে ৰাজ্যখনৰ পাঁচখন ওখ স্থানত জলাধাৰ নিৰ্মাণ কৰি দিনৰ ভাগত সৌৰশক্তিচালিত পাম্পেৰে জলৰাশি উত্তোলন কৰি নিশাৰ ভাগত এই জলৰাশিৰে টাৰ্বাইনৰ সহায়ত বিদ্যুৎ শক্তি উৎপাদনৰ এটা অভিনৱ আঁচনিৰ বিষয়েও মুখ্যমন্ত্ৰীয়ে আজি সদৰি কৰে।

নতুন বছৰটোত চৰকাৰে বিভিন্ন আঁচনিৰ অধীনত হিতাধিকাৰীসকললৈ প্ৰদান কৰিবলগীয়া সুবিধাসমূহৰ বিষয়ে প্ৰকাশ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে দেশৰ ভিতৰতে চৰকাৰী খণ্ডত অসমত প্ৰথমটো কৰ্কট ৰোগৰ প্ৰটন থেৰাপী

মেচিন স্থাপন কৰা হ'ব। কোভিদ কালত অসমৰ ৰাইজৰ দান-বৰঙণিৰ পৰা সংগৃহীত ৫০ কোটি টকাৰ লগতে ৰাজহুৱা খণ্ডৰ কেইবাটাও প্ৰতিষ্ঠানৰ সামাজিক সাহায্য পুঁজিৰ পৰা লাভ কৰা ৫০ কোটি টকাসহ অসম চৰকাৰে আবণ্টন কৰা পুঁজিৰে মুঠ ৫০০ কোটি টকা ব্যয় সাপেক্ষে এই অত্যাধুনিক চিকিৎসা প্ৰকল্প স্থাপন কৰা হ'ব।

মুখ্যমন্ত্ৰীয়ে অহা ২০ ফেব্ৰুৱাৰীত অৰুণোদয় আঁচনিৰ জৰিয়তে ৰাজ্যখনৰ মহিলাসকললৈ ৮ হাজাৰ টকাকৈ আগবঢ়োৱা হ'ব বুলি ঘোষণা কৰে।

**ৰাইট (চি এম) - ২**

ড০ শৰ্মাই লগতে কয়, যে বছৰি ৪ লাখ টকাতকৈ কম উপাৰ্জন কৰা পৰিয়ালৰ ছাত্ৰৰ সুবিধাৰ্থে বাবু আঁচনিৰ জৰিয়তে স্নাতকোত্তৰ ছাত্ৰক ২ হাজাৰ আৰু স্নাতক পৰ্যায়ৰ ছাত্ৰলৈ এহেজাৰ টকাকৈ প্ৰদান কৰা হ'ব।

ৰাজ্যৰ শিক্ষাখণ্ডত আধাতে বিদ্যালয় এৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ভালেখিনি কম হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে উচ্চ মাধ্যমিকত আধাতে বিদ্যালয় এৰা ছাত্ৰ-ছাত্ৰীৰ হাৰ পূৰ্বৰ ৩০ শতাংশৰ পৰা বৰ্তমান ১৭ দশমিক ৫ শতাংশলৈ হ্ৰাস পাইছে।

মুখ্যমন্ত্ৰীগৰাকীয়ে অহা ১৭ জানুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাজিৰঙাত এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰিব বুলি সংবাদমেলত ঘোষণা কৰে। শ্ৰীমোদীয়ে ফেব্ৰুৱাৰীত কোকৰাঝাৰৰ পৰা গেলেফুলৈ নতুন ৰে'লপথৰ আধাৰশিলা স্থাপন কৰিব বুলি ড° শৰ্মাই প্ৰকাশ কৰে।

০০০০০

মন্ত্ৰীসভাই বছৰৰ প্ৰথমখন বৈঠকত আজি সমগ্ৰ অসমৰ ১০০খন বিদ্যালয় নিৰ্মাণৰ বাবে ৪৫৫ কোটি টকাত অনুমোদন দিয়ে। মন্ত্ৰীসভাই লগতে এম এম চি এইছ আৰু কালাপাহাৰ চৌহদক কেন্দ্ৰ কৰি ৮০০খন বিছনাযুক্ত সাধাৰণ চিকিৎসালয়ৰ সৈতে এখন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ বাবে এহেজাৰ ২০১ কোটি ১৬ লাখ টকাৰ সংশোধিত প্ৰশাসনিক অনুমোদন জনায়।

০০০০০

হোজাই জিলা প্ৰশাসনে কাইলৈ ডবকাৰ যমুনা-মৌদংগা সংৰক্ষিত বনাঞ্চলৰ প্ৰায় ৬ হাজাৰ বিঘা ভূমিত উচ্ছেদ চলাব। ইয়াৰ বাবে বন বিভাগ আৰু জিলা প্ৰশাসনে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। বন বিভাগে ইতিমধ্যে বনাঞ্চলখনত জৰীপ চলাই কেইবাহাজাৰ বিঘা ভূমি অবৈধ দখলকাৰীৰ কবলত থকাৰ তথ্য লাভ কৰে আৰু এহেজাৰ ২০০ৰো অধিক দখলকাৰীলৈ জাননী প্ৰেৰণ কৰে। এই অভিযানৰ জৰিয়তে অঞ্চলটোত ৩০-৪০ বছৰ ধৰি অবৈধভাৱে বাস কৰি থকা এহেজাৰ ১৭০টা পৰিয়ালৰ ভিতৰত এহেজাৰ ১৮টা উচ্ছেদ কৰা হ'ব। বাকী ১৫২টা পৰিয়ালে সকাহ বিচাৰি উচ্চ ন্যায়ালয়ৰ কাষ চাপিছিল।

ইপিনে উচ্ছেদৰ জাননী লাভ কৰাৰ পাছতে স্থানীয় বিধায়কসহ একাংশই ভূমিহীনসকলক পুনৰ সংস্থাপনৰ দাবী জনাই জিলা আয়ুক্তক স্মাৰক পত্ৰ প্ৰদান কৰে।

০০০০০

ধেমাজি জিলাত দুষ্প্ৰাপ্য বাদুলি সংৰক্ষণেৰে এটা পৰিয়ালে প্ৰকৃতি প্ৰেমৰ নিদৰ্শন দাঙি ধৰিছে। আমাৰ ধেমাজিৰ সংবাদদাতাই জনোৱা মতে জোনাইৰ অমৃতপুৰ গাঁৱৰ বলেন পেগু আৰু তেওঁৰ পৰিয়ালে দীৰ্ঘদিন ধৰি নিজৰ বাৰীত কেইবাহাজাৰ বাদুলি সুৰক্ষিতভাৱে আশ্ৰয় দি আহিছে। প্ৰায় ২০ বিঘা বাঁহবাৰীত বাদুলিসমূহক নিৰাপদ আশ্ৰয় দিয়াৰ উপৰি চোৰাং চিকাৰীৰ পৰা ৰক্ষা কৰাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৰ বিষয়ে প্ৰকৃতিপ্ৰেমী বলেন পেগুৱে আমাৰ সংবাদদাতাৰ আগত এইদৰে কয়–

**বাইট (বলেন পেগু)**

০০০০০

ইংৰাজী নৱবৰ্ষ ২০২৬-ৰ আজি পহিলা দিন উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত জনসাধাৰণৰ মাজত উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে। নতুন বছৰটোত নিজৰ লগতে পৰিয়ালৰ কুশল কামনা কৰি নেদেখাজনৰ আশীষ ল'বলৈ আজি পুৱাতেই ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ধৰ্মীয় স্থানসমূহত অগণন লোকৰ সমাগম হৈছে। গুৱাহাটী মহানগৰীৰ শক্তিপীঠ কামাখ্যা ধাম, উত্তৰ গুৱাহাটীৰ দৌল গোবিন্দ দেৱালয়, লতাশিল আৰু গণেশগুৰি গণেশ মন্দিৰৰ উপৰি অন্যান্য মঠ-মন্দিৰ আৰু ধৰ্মীয় স্থানসমূহত বহুলোক সমবেত হয়। হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰ, বকোৰ পাৰ্বতী মন্দিৰকে ধৰি বিভিন্ন ধৰ্মীয় স্থানসমূহত পুৱাৰে পৰা অগণন ভক্তৰ সমাগম পৰিলক্ষিত হয়। গুৱাহাটীৰ অসম ৰাজ্যিক চিৰিয়াখানাতো আজি বহু লোকে ভিৰ কৰা দেখা যায়। নৱবৰ্ষৰ প্ৰথম দিনটোত চিৰিয়াখানালৈ ছহেজাৰ ২৪গৰাকী দৰ্শনাৰ্থীৰ আগমন ঘটে বুলি চিৰিয়াখানা কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। কৰ্তৃপক্ষৰ নীতি অনুসৰি শুকুৰবাৰে চিৰিয়াখানা বন্ধ ৰখা হয় যদিও কাইলৈ নতুন বছৰ উপলক্ষে কাইলৈ চিৰিয়াখানা মুকলি থাকিব।

ইপিনে, আত্মীয় বন্ধু-বান্ধৱ আৰু পৰিয়ালৰ সৈতে দিনটো আনন্দৰে অতিবাহিত কৰিবলৈ আজি বহুলোক বনভোজস্থলী আৰু নৈসৰ্গিক সৌন্দৰ্যৰে পৰিপূৰ্ণ স্থানসমূহত উপস্থিত হয়। গুৱাহাটীৰ অসম ৰাজ্যিক চিৰিয়াখানাত পুৱাৰেপৰা বিৰ দি বাট নোপোৱা পৰিৱেশৰ সৃষ্টি হয়। তদুপৰি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ, গুৱাহাটী তাৰকাগৃহ, বিজ্ঞান সংগ্ৰাহালয়, ৰাজ্যিক সংগ্ৰাহালয় আৰু উদ্যানসমূহতো বহু লোকে আনন্দ উপভোগ কৰা দেখা যায়। নৱবৰ্ষক আদৰাৰ বাবে ৰাজ্যৰ ঠায়ে ঠায়ে বিভিন্ন অনুষ্ঠানৰো আয়োজন কৰা হয়।

শিৱসাগৰ জিলাতো ৰাইজে আজি ব্যাপক উৎসাহ-উদ্দীপনাৰে নৱবৰ্ষ উদযাপন কৰে। শিৱসাগৰ নগৰৰ ইতিহাস প্ৰসিদ্ধ ৰংঘৰ বাকৰি, তলাতল ঘৰ প্ৰাঙ্গন আদিৰ লগতে দিচাংমুখ দিখৌমুখৰ বনভোজথলীসমূহত ব্যাপক জনসমাগম দেখা যায়। জিলাখনৰ মন্দিৰ-মছজিদ-গীৰ্জাসমূহত নেদেখাজনৰ আশীষ ল'বলৈ পুৱাৰে পৰা বহু লোকে ভিৰ কৰে।

চৰাইদেউ মৈদামথলীতো আজি সহস্ৰাধিক দৰ্শনাৰ্থীৰ সমাবেশ ঘটে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা শতাধিক বনভোজ দলৰ উপস্থিতিত মৈদামথলীত উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি হয়। দেশী-বিদেশী পৰ্যটকে মৈদামৰ ঐতিহ্য সম্পৰ্কে জনাৰ বাবে অঞ্চলটোত ভিৰ কৰিছে।

হোজাই জিলাতো আজি ৰাইজে উৎসাহ উদ্দীপনাৰে নৱবৰ্ষ উদযাপন কৰে। জিলাখনৰ ইতিহাস প্ৰসিদ্ধা লংকেশ্বৰী মন্দিৰ, ইতিহাস প্ৰসিদ্ধ আকাশীগংগা শিৱ মন্দিৰকে ধৰি বিভিন্ন স্থানত দৰ্শনাৰ্থীৰ সমাগম হয়। কাৰ্বি আংলং জিলাৰ ডিফুত আজিৰ দিনটোতে প্ৰতিষ্ঠা লাভ কৰা ডিফু ক্লাবৰ আজি প্ৰতিষ্ঠা দিৱসৰ লগতে নৱবৰ্ষ উদযাপন অনুষ্ঠানৰ আয়োজন কৰা হয়। যোৰহাটৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী বুঢ়ী গোঁসানী দেৱালয়ত সহস্ৰাধিক ভক্তৰ সমাগম হয়। ডিব্ৰুগড় জিলাৰ বিভিন্ন স্থানতো আজি নৱবৰ্ষ উদযাপনৰ বাবে অগণন লোক সমবেত হয়। মাজুলী জিলাৰ সত্ৰ-নামঘৰসমূহত আজি বছৰটোৰ বাবে কুশল কামনা কৰি সেৱা ল'বলৈ ভক্তসকল সমবেত হয়।

ooooo

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত গুৱাহাটীৰ খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত গ্ৰন্থ মেলাৰ আজি নৱম দিনা গ্ৰন্থপ্ৰেমীৰ সমাগম দেখা যায়। বছৰৰ প্ৰথম দিন হোৱা হেতুকে প্ৰতি বছৰৰ দৰে বহু গ্ৰন্থপ্ৰেমীয়ে নিজৰ পছন্দৰ কিতাপখন ক্ৰয় কৰাৰ বাবে গ্ৰন্থমেলাথলীত উপস্থিত হয়। আজি বিয়লি আঢ়ৈ বজাত গ্ৰন্থমেলাথলীত 'গল্পগাঁথা' শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠান বিশিষ্ট সাহিত্যিক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডাঃ ধ্ৰুৱজ্যোতি বৰাই উদ্বোধন কৰে। অনুষ্ঠানটি বিশিষ্ট গল্পকাৰ, কবি অতনু ভট্টাচাৰ্যই পৰিচালনা কৰে। বিয়লি ৫ বজাৰ পৰা আটকধুনীয়া সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

ooooo

সমাপ্ত